# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-05-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *Headlines*

- - - - - - - - - - - - - - -

১। ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি। এই পৰ্যায়ত পৰহিলৈ ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৮টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ।

২। সপ্তম পৰ্যায়ত অহা ১ জুনত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে বিভিন্ ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৩। লখিমপুৰ জিলাত আৰক্ষীৰ জিম্মাত এজন লোকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত আৰক্ষী সঞ্চালক প্ৰধানৰ তদন্তৰ নিৰ্দেশ।

৪। আজি পৱিত্ৰ বুদ্ধ পূৰ্ণিমা। ৰাজ্যৰ ভিন্ন প্ৰান্তত বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ মাজত উলহ-মালহেৰে বুদ্ধদেৱৰ জয়ন্তী পালন।

**আৰু**

৫। ভাৰতৰ বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু অস্মিতা চলিহাৰ মালয়েছিয়া বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

0000000

ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিছে। এইটো পৰ্যায়ত অহা ২৫ মে'ত ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৮টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০ টা, জম্মু আৰু কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে।

উল্লেখযোগ্য যে ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৫৮টা সংসদীয় সমষ্টিৰ বাবে মুঠ ৮৮৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পৰহিলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ এই পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব।

আজি প্ৰচাৰৰ অন্তিম দিনা প্ৰধান ৰাজনৈতিক দলৰ নেতা আৰু প্ৰাৰ্থীসকলে সমষ্টিসমূহৰ ভোটদাতাৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলায়। ইফালে, লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবেও প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হাৰিয়ানাৰ ভিৱানী-মহেন্দ্ৰগড়ত দলৰ হৈ প্ৰচাৰ চলায়। শ্ৰীমোদীয়ে আজি পাঞ্জাবৰ পাটিয়ালা চহৰতো নিৰ্বাচনী সভাক সম্বোধন কৰে। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে দেশৰ ১৪০ কোটি ভাৰতীয়ই এন ডি এ চৰকাৰৰ প্ৰগতিকামী পদক্ষেপসমূহ উপলব্ধি কৰিছে বুলি মন্তব্য কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশৰ দুমৰীয়াগঞ্জ লোকসভা সমষ্টিৰ এন ডি

এ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নিজৰ ভাষণত নেতাগৰাকীয়ে কয় যে, এন ডি এ চৰকাৰে সন্ত্ৰাসবাদ আৰু নক্সালবাদৰ অন্ত পেলাই দেশত সমৃদ্ধিশালী কৰাৰ সপোন দেখিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ওড়িশাৰ ছম্বলপুৰ আৰু চম্পুৰাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। দলৰ নেতা তথা সাংসদ বৰুণ গান্ধীয়ে আজি ছুলতানপুৰ সমষ্টিত দলৰ প্ৰাৰ্থী মানেকা গান্ধীৰ হৈ প্ৰচাৰ চলায়।

দিল্লীতো আজি বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে প্ৰচাৰ অভিযানৰ অন্তিম দিনা ব্যাপক প্ৰচাৰ চলায়। দিল্লীৰ সাতোখন আসনৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিছে। ৰাজনৈতিক দলসমূহে ৰোড শ্ব', নিৰ্বাচনী সভা আৰু ঘৰে ঘৰে গৈ চলোৱা প্ৰচাৰৰ জৰিয়তে ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলায়। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি পশ্চিম দিল্লী লোকসভা সমষ্টিৰ দ্বাৰকাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। দলীয় প্ৰাৰ্থীৰ সমৰ্থনত দিয়া ভাষণত তেওঁ কয় যে, ভাৰতবৰ্ষই ৰামৰাজ্যৰ উত্থান দেখিবলৈ পোৱাটো নিশ্চিত আৰু ইয়াত কোনেও প্ৰতিহত কৰিব নোৱাৰে। দলৰ আন এগৰাকী জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলেও পশ্চিম দিল্লীৰ নজফগড় এলেকাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। আনহাতে, বিজেপি নেত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে চান্দনী চ'ক সংসদীয় সমষ্টিৰ অশোক বিহাৰ এলেকাত এটা ৰোড শ্ব'ত ভাগ লোৱাৰ বিপৰীতে দলটোৰ নেতা ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই উত্তৰ-পশ্চিম দিল্লীৰ সংসদীয় সমষ্টিৰ ৰোহিণী এলেকাত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি উত্তৰ-পূব দিল্লীৰ সংসদীয় সমষ্টিৰ দিলশ্বাদ গাৰ্ডেন এলেকাৰ এখন নিৰ্বাচনী সভাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত ভাগ লয়। সভাখনত ভাষণ দি তেওঁ বিজেপি নেতৃত্বাধীন চৰকাৰখনক সমালোচনা কৰি কয় যে এই চৰকাৰখনে দৰিদ্ৰতা আৰু অসমতাক দীৰ্ঘস্থায়ী কৰিবলৈ বিচাৰিছে। চৰকাৰখনে সৰ্বসাধাৰণৰ বাবে নহয়, বৰঞ্চ নিৰ্দিষ্ট একাংশ বৃহৎ ব্যৱসায়ীৰ হৈহে কাম কৰা বুলি তেওঁ অভিযোগ কৰে। নিবনুৱা সমস্যাৰ বাবে দেশৰ যুৱ সম্প্ৰদায় বেয়া ধৰণে ক্ষতিগ্ৰস্ত হৈছে বুলিও নেতাগৰাকীয়ে দাবী কৰে। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই আজি হাৰিয়ানাৰ চিৰছাত এটা ৰোড শ্ব'ত অংশ লয়। তেওঁ কয় যে, এইবাৰৰ নিৰ্বাচনে হাৰিয়ানাত কংগ্ৰেছ দলৰ প্ৰতি জনসাধাৰণৰ আস্থা প্ৰতিপন্ন কৰিব। ৰাজ্যখনৰ জনসাধাৰণৰ বিজেপিৰ ৰাজনীতিৰ প্ৰতি মোহ ভংগ হৈছে আৰু তেওঁলোক নিবনুৱা তথা মুদ্ৰাস্ফীতিৰ সমস্যাক লৈ উদ্বিগ্ন হৈ পৰিছে। একেদৰে আম আদমী পাৰ্টীৰ শীৰ্ষ নেতাসকলেও দলীয় প্ৰাৰ্থীৰ হকে ৰোড শ্ব'কে ধৰি বিভিন্ন ধৰণে প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

ওড়িশাতো ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৬টা লোকসভা আৰু ৪২টা বিধানসভা সমষ্টিৰ বাবে আজি প্ৰচাৰ অভিযান তুংগত উঠা পৰিলক্ষিত হয়।

ঃ ভইচ কাষ্ট ঃ

ooooo

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWONAIR এপ, আমাৰ

ইউটিউব চেনেল AIRNEWSGUWAHATI আৰু এক্স হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

ooooo

লখিমপুৰ জিলাৰ খেলমাটি আৰক্ষী চকীত এজন অভিযুক্ত ব্যক্তিৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত আৰক্ষী সঞ্চালক প্ৰধানে তদন্ত ঘোষণা কৰিছে। ঘটনা অনুসৰি মোবাইল চুৰিৰ অভিযোগত এজন লোকক আটক কৰা হৈছিল যদিও আৰক্ষীৰ জিম্মাত থকা অৱস্থাতে লোকজন অসুস্থ হৈ পৰে। সংশ্লিষ্ট আৰক্ষী চকীখনৰ আৰক্ষীয়ে ততাতৈয়াকৈ লোকজনক চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। ইয়াৰ পাছতে লোকজনৰ পৰিয়ালে আৰক্ষীৰ বিৰুদ্ধে অত্যাচাৰৰ অভিযোগ তোলে আৰু স্থানীয় ৰাইজে আৰক্ষী চকী ঘেৰাও কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। এই ঘটনা সন্দৰ্ভত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ আৰক্ষী চকীখনৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ লগতে এজন আৰক্ষী জোৱানক নিলম্বন কৰা হৈছে। উত্তৰ সংমণ্ডলৰ উপ-আৰক্ষী মহাপৰিদৰ্শকগৰাকী ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈছে। ইপিনে, বিশ্বনাথ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকে এই সন্দৰ্ভত নিজাববীয়াকৈ তদন্তৰ নিৰ্দেশ দিছে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ সকলো নীতি-নিৰ্দেশনা পালন কৰা হৈছে বুলি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে প্ৰকাশ কৰিছে।

ooooo

তিনিচুকীয়া জিলাত কলেৰাত আক্ৰান্ত হৈ ১১জন লোকৰ মৃত্যু হোৱা বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিৰ সত্যতা জিলা প্ৰশাসনে খণ্ডন কৰিছে। আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত আয়ুক্ত স্বপ্নীল পালে এই বিষয়টোৰ সন্দৰ্ভত স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে, আই চি এম আৰৰ প্ৰতিবেদন মতে কোনো লোকৰ কলেৰা ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা নাই। অন্যান্য ৰোগত আক্ৰান্ত হোৱাৰ ফলতহে এই লোকসকলৰ মৃত্যু হৈছে বুলিও আয়ুক্তগৰাকীয়ে স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে, জিলাখনত কলেৰাত ১১ জন লোকৰ মৃত্যু হোৱা বুলি অভিযোগ উঠাৰ লগে লগে স্বাস্থ্য বিভাগৰ দলে নমুনা সংগ্ৰহ কৰি আই চি এম আৰলৈ প্ৰেৰণ কৰিছিল। স্বাস্থ্য বিভাগ আৰু জিলা প্ৰশাসনৰ দ্বাৰা গঠিত উচ্চস্তৰীয় প্ৰতিবেদন অনুসৰি মৃত ১১ জন লোকৰ ভিতৰত ৯ জনৰ দেহত কলেৰাৰ কোনো লক্ষণ নাছিল যদিও দুজনৰহে পেটৰ অসুখ হোৱাৰ তথ্য পোৱা গৈছিল।

ooooo

আজি পৱিত্ৰ বুদ্ধ পূৰ্ণিমা। এই দিনটোতে গৌতম বুদ্ধই জন্মগ্ৰহণ কৰাৰ উপৰি সিদ্ধি লাভ আৰু মহা পৰিনিৰ্বাণ হৈছিল। আজি বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে পৱিত্ৰতাৰে এই দিনটো উদযাপন কৰে। দৰং জিলাৰ পানেৰী থানাৰ অন্তৰ্গত আনাধুৱাপাৰাত মাংগলিক ৰীতি-নীতিৰে বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে। এই উপলক্ষে বিভিন্ন স্থানৰ পৰা ভক্তৰ সমাগম হৈছে। ইপিনে কামৰূপ জিলাৰ আমিনগাঁৱৰ বৌদ্ধ মন্দিৰ আৰু ৰঙিয়াত ১৯৪৩ চনত নিৰ্মিত বৌদ্ধ স্তূপৰ সমীপত আজি দিনজোৰা কাৰ্যসূচীৰে বৌদ্ধ পূৰ্ণিমা পালন কৰা হয়। এই উপলক্ষে ধৰ্মীয় পতাকা উত্তোলন, মাংগলিক কাৰ্যসূচী, ধ্যান, ভজন আদি অনুষ্ঠিত হয়। ইপিনে আমিনগাঁও পাহাৰৰ বৌদ্ধ মন্দিৰত চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা অহা বহু সংখ্যক ভক্তই পূজা-অৰ্চনাত অংশগ্ৰহণ কৰে। উত্তৰ গুৱাহাটী জয়গুৰু ভূটান ৰাজপৰিয়ালৰ বৌদ্ধ বিহাৰতো বুদ্ধ পূৰ্ণিমাৰ কাৰ্যসূচী লোৱা হয়। ভিন্ন ধৰ্মাৱলম্বী লোকে আজি বুদ্ধ পূৰ্ণিমা উপলক্ষে ইয়াত সমবেত হৈ পূজা অৰ্চনা কৰে। ইফালে শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত থকা বৌদ্ধ বিহাৰত আজি পুৱাৰে পৰা বুদ্ধ পূৰ্ণিমা পালন কৰা হয়। এই উপলক্ষে প্ৰভাত বন্দনা, ছাফাই অভিযান আৰু গছপুলি ৰোপণ কৰা হয়। শিৱসাগৰৰ বৌদ্ধ বিহাৰত কেইবা শতাধিক লোকে বন্তি প্ৰজ্বলন কৰি শান্তি-সম্প্ৰীতিৰ হকে প্ৰাৰ্থনা কৰে। দুপৰীয়া

বৌদ্ধ ভিক্ষুসকলক শিৱসাগৰৰ বৌদ্ধ বিহাৰৰ মহিলা সমিতিয়ে অন্নদান কৰে। এই উপলক্ষে বোধিবৃক্ষ শীৰ্ষক এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়।

০০০০০

মৰিগাঁও জিলাত ৰূপায়িত বান আৰু খহনীয়া প্ৰতিৰোধী আঁচনিসমূহৰ কাম-কাজৰ অগ্ৰগতি আজি জিলাখনৰ আয়ুক্ত দেৱাশিষ শৰ্মাই পৰ্যালোচনা কৰে। তেওঁ বানৰ আশংকা থকা অঞ্চলসমূহ পৰিদৰ্শন কৰি বান প্ৰতিৰোধী প্ৰকল্পসমূহৰ কাম-কাজ চোৱাচিতা কৰে। তেওঁ লগতে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংকৰ ২৫০ কোটি অৰ্থ সাহায্যৰে নিৰ্মাণ কৰিবগলীয়া জিঅ' বেগ প্ৰকল্পৰ কাম-কাজৰ সবিশেষ বুজ লয়। জিলা আয়ুক্ত গৰাকীয়ে এই কামসমূহ খৰতকীয়া কৰি তুলিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিছে। উল্লেখযোগ্য যে জিলাখনৰ খহনীয়াত ক্ষতিগ্ৰস্ত লাহৰীঘাট, মায়ং আৰু ভুৰাগাঁও ৰাজহ চক্ৰৰ নৈপৰীয়া ৰাইজৰ সকাহ হোৱাকৈ জিঅ' বেগ প্ৰকল্প ৰূপায়ণৰ কাম দ্ৰুতগতিৰে অব্যাহত ৰখা হৈছে। প্ৰকল্পটো ৰূপায়ণ হ'লে তিনিওটা ৰাজহ চক্ৰৰ ১৫খন গাঁৱৰ জনসাধাৰণে খহনীয়া সমস্যাৰ পৰা সকাহ লাভ কৰিব।

০০০০০

তেজপুৰৰ ঐতিহাসিক তৰুণ অসম সংঘৰ ৯৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সংগতি ৰাখি আজি এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ১৯৩০ চনত লক্ষীধৰ শৰ্মাৰ নেতৃত্বত জাতীয় চেতনাবোধেৰে উদ্বুদ্ধ ছাত্ৰ-ছাত্ৰীসকলক লৈ গঠন হোৱা অনুষ্ঠানটোৰ আজি প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি সংঘৰ প্ৰেক্ষাগৃহত এখন গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত তৰুণ অসম সংঘৰ জ্যেষ্ঠ সদস্য প্ৰণৱ কুমাৰ মজুমদাৰক এখনি ফুলাম গামোছা, অঙ্গ বস্ত্ৰ, স্মাৰক আৰু সম্বৰ্দ্ধনা পত্ৰৰে সন্মান জনোৱা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সংঘৰ ৯৫ বছৰীয়া ইতিহাস সম্বলিত এখন গ্ৰন্থ উন্মোচন কৰা হয়। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই তৰুণ অসম সংঘই সাংস্কৃতিক, ক্ৰীড়া আৰু নাট্যজগতলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে মন্তব্য প্ৰকাশ কৰে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ কালাপানী আৰক্ষী চকীয়ে  পকচো আইনৰ অধীনত নাবালিকা ধৰ্ষণৰ অভিযোগত দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে কালাপানীৰ চিৰাখোৱা-কুটিৰঘাট এলেকাৰ মজনু শ্বেখ নামৰ এজন ৩৩ বছৰীয়া অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে বামুণপাৰা এলেকাৰ বাবু শ্বেখ নামৰ আন এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰে। দুটা পৃথক ধৰ্ষণৰ ঘটনাত অভিযুক্ত ব্যক্তি দুজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আজি হাটশিঙিমাৰী জিলা সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱাত আদালতে দুয়োকে ধুবুৰীৰ জেললৈ প্ৰেৰণ কৰিছে।

০০০০০

গোলাঘাট জিলাৰ বোকাখাটত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে **ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ ২০২৪** আৰম্ভ হৈছে। শিশু বিজ্ঞান সমিতি, অসমৰ উদ্যোগত আৰু বোকাখাট জাতীয় বিদ্যালয়ৰ সহযোগত এই সমাৰোহ অনুষ্ঠিত হৈছে। শিশুসকলৰ মনৰ পৰা অন্ধবিশ্বাস দূৰ কৰি বৈজ্ঞানিক মানসিকতা গঢ় দিয়াৰ উদ্দেশ্যৰে এই সমাৰোহৰ আয়োজন কৰা হৈছে। আজি প্ৰথম দিনাৰ কাৰ্যসূচীত পুৱা পতাকা উত্তোলন, স্মৃতিতৰ্পন আৰু প্ৰদৰ্শনী মুকলিৰ পাছতে সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। উদ্বোধনী অনুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড০ ভৱেশ চন্দ্ৰ গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত শিশু বিজ্ঞান সমাৰোহত আঠখন জিলাৰ ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ প্ৰায় ১০০গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে বোকাখাট মহকুমাৰ ৩৫খনৰো অধিক বিদ্যালয়ৰ ২৫০ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটো দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰাজস্থান ৰয়েলছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক এলিমিনেটৰ খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক চাৰি উইকেটত পৰাস্ত কৰে।

00000

গোৱালপাৰাৰ ডি এন সিংহ ষ্টেডিয়ামত আজি এটা অত্যাধুনিক ক্ৰিকেট পেভেলিয়নৰ আধাৰশিলা স্থাপন কৰা হয়। অসম ক্ৰিকেট সন্থাই এই পেভেলিয়ন নিৰ্মাণৰ বাবে ৫০ লাখ টকা ধাৰ্য কৰিছে যদিও ইয়াৰ নিৰ্মাণত ৬০ৰ পৰা ৭০ লাখ টকা ব্যয় হ'ব বুলি ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈয়ে আজি আধাৰশিলা স্থাপন কৰি প্ৰকাশ কৰে। ছমাহৰ ভিতৰত এই পেভেলিয়নখন নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

00000

গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত ৰাজ্যখনৰ বিভিন্ন ঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ আৰু বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। আনহাতে ২৬ মে' দেওবাৰে ৰাজ্যখনৰ দুই এঠাইত ঘণ্টাত ৩০ৰ পৰা ৪০ কিলোমিটাৰ বেগেৰে ধুমুহা আৰু ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে সোমবাৰেও ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

00000

সমাপ্ত